**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-04-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দুদিনীয়া ভ্ৰমণসূচীৰে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহিলা উদ্যমিতা আঁচনিৰ উদ্বোধন কৰে। বিহালী সমষ্টিত এই আঁচনিৰ অধীনত সমষ্টিটোৰ প্ৰায় ২৩ হাজাৰ গৰাকী মহিলাক ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ জৰিয়তে ৰাজ্যৰ ৩০ লাখ মহিলা উপকৃত হ'ব বুলি জানিবলৈ দিয়ে। প্ৰাৰম্ভিক মূলধনৰ সদ্ব্যৱহাৰ কৰা মহিলাক অহা বছৰ ২৫ হাজাৰ টকা প্ৰদান কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আজি ঘোষণা কৰে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ৫০ হাজাৰ টকাৰ অৰ্থ সাহায্য উদ্যমিতা আঁচনিৰ অধীনত মহিলাসকললৈ আগবঢ়োৱা হ'ব। ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে অসমত ক্ষুদ্ৰ উদ্যোগীসকলক অনুপ্ৰেৰণা যোগোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। প্ৰতি কুইণ্টল ধান দুহেজাৰ ৫৫০ টকা আৰু প্ৰতি কুইণ্টল সৰিয়হ ছহেজাৰ ৪৫০ টকা মূল্যত ক্ৰয় কৰা হ'ব বুলিও ড° শৰ্মাই জানিবলৈ দিয়ে। ছেপ্তেম্বৰত আৰু ৬ লাখ ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া দুখীয়া পৰিয়ালৰ শিক্ষাৰ্থীৰ একাউণ্টত ছমাহৰ বাবে মাহিলী ৩০০ টকাকৈ টিউশ্যনৰ বাবদ দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে।

-বাইট-

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলাখনৰ পাভৈত এখন স্বাস্থ্যমেলা উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰটো শুভাৰম্ভ কৰি ড° শৰ্মাই ১০ গৰাকী অৱসৰপ্ৰাপ্ত আশাকৰ্মীক এককালীন সাহায্য হিচাপে ২ লাখ টকাৰ চেক প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে আজিৰে পৰা গাঁও পঞ্চায়ত, নগৰীয়া স্থানীয় নিকায়, ভি চি ডি চি সমূহত স্বাস্থ্য আৰু কল্যাণ শিবিৰ আয়োজন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ড° শৰ্মাই আজি জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আন্তঃক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰে। এক কোটি ৭০ লাখ টকা ব্যয় সাপেক্ষে নতুনকৈ স্থাপন কৰিবলগীয়া এই ক্ৰীড়া প্ৰকল্পটোত দুখন বেডমিণ্টন কোৰ্ট, ৪ খন টেবল টেনিছ কোৰ্ট আৰু যোগাভ্যাস, শৰীৰচৰ্চা আৰু কাৰ্যালয়ৰ বাবে এটাকৈ কোঠা উপলব্ধ হ'ব। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বাৰ্তালাপ কৰে।

০০০০০০০

কাইলৈ হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা আৰু কামৰূপ জিলাৰ পৰিষদৰ এলেকাধীন অঞ্চলত বন্ধ ঘোষণা কৰা হৈছে। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি কাইলৈ অঞ্চলটোৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষা, ব্যৱসায়িক আৰু বিত্তীয় প্ৰতিষ্ঠান বন্ধ থাকিব।

গোৱালপাৰা আৰু কামৰূপৰ মুঠ ৩৩টা পৰিষদীয় সমষ্টিত কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা ৰাভা

হাচং স্বায়ত্ত শাসিত পৰিষদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰত দুই লাখ ৪০ হাজাৰ ২৫ গৰাকী ভোটদাতাই ৫২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতাই ভোটদান কৰিব। নিৰ্বাচনী বিষয়াসকল আজি ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০০

অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনক অপদস্থ কৰাৰ অভিযোগত ১২ জনীয়া সদস্যৰে গঠিত বিশেষাধিকাৰ সমিতিয়ে কংগ্ৰেছৰ বিধায়ক শ্বেৰমান আলী আৰু নুৰুল হুদাক জাননী জাৰি কৰিছে। বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ নেতৃত্বত এই সমিতিৰ আজি দিছপুৰত অনুষ্ঠিত বৈঠকত সিদ্ধান্তমৰ্মে বিধায়ক দুয়োজনলৈ বিশেষাধিকাৰ ভংগৰ জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে দুয়োগৰাকী বিধায়কে বিধানসভাৰ অধিৱেশন চলি থকা দিনত উপাধ্যক্ষগৰাকীক অপদস্থ কৰাৰ অভিযোগ উঠিছিল।

০০০০০০

ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ, ভূমি সংৰক্ষণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি বাক্সা জিলাত ১৪টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰে। জিলাখনৰ নাওশালী, ভেবলা কেওঁটচুপা, জালাহ বড়োপাৰা, শিলবাৰী, অঞ্চলী, ৰাবাংগুৰি, শিমলা বড়োপাৰা, লাউখাতা দেউলগুৰি, পূব লাউখাতা, ডুবা কুমাৰী, তাৰাবাৰী, বৰপাম, ভালমানুহৰভিঠা আৰু পাকৰিগুৰিৰ অংগনৱাড়ী কেন্দ্ৰকেইটা উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে শিশুৰ শাৰীৰিক বিকাশত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰকেইটা বিশেষ ভূমিকা পালন কৰিব। আজিৰ কাৰ্যসূচীত জিলা আয়ুক্ত গৌতম দাস, বিটিআৰৰ পাৰিষদ মণ্টু বড়োকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

কোকৰাঝাৰ জিলাৰ তিতাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত আজি এটা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। জিলাৰ স্বাস্থ্য সমিতিয়ে আয়োজন কৰা এই শিবিৰ বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জীত বসুমতাৰীয়ে মুকলি কৰে। জনসাধাৰণৰ মাজত স্বাস্থ্য সজাগতা আৰু বিভিন্ন চৰকাৰী আঁচনিৰ সন্দৰ্ভত অৱগত কৰাৰ বাবে এই বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

০০০০০০

**সমাপ্ত**